# G4 Ministerial Joint Press Statement

September 23, 2020

# জি4 মন্ত্ৰালয়িক যুটীয়া প্ৰেছ বিবৃত্তি

ছেপ্তেম্বৰ 23, 2020

1. 23 ছেপ্তেম্বৰ 2020 তাৰিখে জি4 দেশসমূহৰ বিদেশ মন্ত্ৰীসকল ক্ৰমে ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মহামান্য শ্ৰী আৰনেষ্ট আৰাওজ, ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মহামান্য ড০ সুব্ৰমণিয়ম জয়শংকৰ, জাপানৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মহামান্য মটেগি টছিমিটছো আৰু জাৰ্মানৰ বিদেশ মন্ত্ৰী মহামান্য শ্ৰী হেইকো মাছৰ হৈ ফেডাৰেল বিদেশ কাৰ্য্যালয়ত ৰাজ্যিক মন্ত্ৰী মহামান্য শ্ৰী নীলছ এনেন ৰাষ্ট্ৰসংঘৰ সাধাৰণ অধিৱেশনৰ 75তম চেচনৰ উপলক্ষে ভাৰ্চুৱেল ভাৱে মিলিত হয়।

2. "আজিৰ এই পৃথিৱী 75 বছৰ আগতে ৰাষ্ট্ৰসংঘই গঠন কৰা সময়তকৈ বহুত পৃথক। আমাৰ কাম কৰাৰ পদ্ধতিত গতি আৰু অভিযোজন কৰাৰ প্ৰয়োজন। (...) আমি ৰাষ্ট্ৰসংঘৰ তিনিটা মূল উপাদানৰ সংস্কাৰৰ কাৰণে আমাৰ আহ্বানৰ কথা পুনৰাই ব্যক্ত কৰিছো। সুৰক্ষা পৰিষদৰ সংস্কাৰৰ আলোচনাত এক নতুন গতি প্ৰদান কৰাৰ কাৰণে আমি প্ৰতিশ্ৰুতিবদ্ধ।”

2005ৰ বিশ্ব শীৰ্ষ সন্মিলনত ৰাষ্ট্ৰ আৰু চৰকাৰ প্ৰধানৰ দ্বাৰা পৰিকল্পিত সুৰক্ষা পৰিষদৰ প্ৰাৰম্ভিক আৰু ব্যাপক সংস্কাৰৰ দিশত নিৰ্ণায়ক পদক্ষেপ লোৱাৰ কাৰণে আমাৰ ৰাষ্ট্ৰ প্ৰধান আৰু চৰকাৰ প্ৰধানৰ দ্বাৰা গৃহীত ঘোষণাপত্ৰৰ এই শব্দসমূহে অন্ততঃ আমাৰ সাধাৰণ সংকল্পসমূহৰ পুনঃপ্ৰকাশ কৰে।

3. এই আহ্বানৰ সৈতে সংগতি ৰাখি, জি4 মন্ত্ৰীসকলে সমসাময়িক বাস্তৱিকতাক ভালদৰে প্ৰতিফলিত কৰাৰ কাৰণে ৰাষ্ট্ৰসংঘৰ সংশোধন কৰা আৰু ইয়াৰ প্ৰধান সিদ্ধান্তগ্ৰহণকাৰী সংস্থাসমূহক আপডেট কৰাৰ প্ৰয়োজনীয়তাৰ কথা দাঙি ধৰে। জি4 মন্ত্ৰীসকলে এই প্ৰক্ৰিয়াটোৰ সৈতে লেনদেন কৰাৰ প্ৰচেষ্টাত হতাশা প্ৰকাশ কৰিছে আৰু ৰাষ্ট্ৰসংঘৰ 75তম বাৰ্ষিকী উপলক্ষে এটি অৰ্থবহ উপায় আৰু বৰ্ধিত তত্পৰতাৰ সৈতে সমাধান কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

4. সুৰক্ষা পৰিষদৰ সংস্কাৰ কৰাৰ অংশ হিচাপে উভয় শ্ৰেণীতে সুৰক্ষা পৰিষদৰ বিস্তাৰে এই নিকায়সমূহক অধিক প্ৰতিনিধি, বৈধ আৰু কাৰ্যকৰী কৰি তোলাৰ বাবে অপৰিহাৰ্য হব, সেইকাৰণে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষা সম্পৰ্কিত প্ৰশ্নত আজি বিশ্বজুৰি সন্মুখীন হবলগীয়া জটিল প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাৰ ক্ষমতা বৃদ্ধি পাব ধৰিছে। যদি আমি সুৰক্ষা পৰিষদৰ সংস্কাৰ কৰাৰ ব্যৱস্থা কৰো তেতিয়াহলে আমি ইয়াক অপ্ৰচলিত হোৱাৰ পৰা ৰক্ষা কৰিব পাৰো। আফ্ৰিকা সহ আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষা বজাই ৰখাৰ অৱদানৰ সক্ষমতা আৰু সদিচ্ছাসহ দেশসমূহৰ বৰ্ধিত প্ৰতিনিধিত্বৰ সৈতে সুৰক্ষা পৰিষদৰ বিস্তৃত সদস্যপদে ইয়াৰ বিশ্বাসযোগ্যতাক ৰক্ষা কৰিব আৰু আজিৰ এই আন্তঃৰাষ্ট্ৰীয় সংকটৰ শান্তিপূৰ্ণ সমাধানৰ কাৰণে প্ৰয়োজনীয় ৰাজনৈতিক সমৰ্থন তৈয়াৰ কৰাৰ অনুমতি প্ৰদান কৰিব।

5. জি4 মন্ত্ৰীসকলে সুৰক্ষা কাউন্সিলৰ সংস্কাৰ সংক্ৰান্তীয় আন্তঃচৰকাৰী বন্দোৱস্ত(আই জি এন)ৰ আগলৈ কোনো অৰ্থবহ আন্দোলনৰ অভাৱক লৈ উদ্বেগ প্ৰকাশ কৰাৰ লগতে ফেব্ৰুৱাৰী আৰু মাৰ্চৰ দুটা চেচনৰ পিছত- কভিড-19ৰ কাৰণে আই জি এন-ক স্থগিত ৰখা হয় আৰু তাৰপিছত এতিয়ালৈকে কোনো

বৈঠক অনুষ্ঠিত নোহোৱাক লৈও উদ্বেগ প্ৰকাশ কৰে। তথাপিও, বিগত অধিৱেশনৰ অগ্ৰগতিৰ কাৰণে ভাৰ্চুৱেল বৈঠক নাইবা লিখিত প্ৰক্ৰিয়া অনুষ্ঠিত হব পাৰে।

6. এই অগ্ৰগতিত এজুলুয়িনি ঐক্যমত আৰু চিৰ্তী ঘোষণাপত্ৰত অন্তনিহিত থকাৰ দৰে সাধাৰণ আফ্ৰিকান স্থিতিৰো এক প্ৰতিচ্ছবি অন্তৰ্ভূক্ত থাকিব লাগে। সাম্প্ৰতিক চেচনে ইয়াকো প্ৰমাণ কৰিছে যে আই জি এন-ত প্ৰয়োজনীয় সৰলতা আৰু স্বচ্ছতাৰ অভাৱ আৰু ত্ৰুটিপূৰ্ণ কাৰ্য পদ্ধতিত বাধা দেখিবলৈ পোৱা গৈছে। ৰাষ্ট্ৰসংঘৰ চনদ আৰু সাধাৰণ সভাৰ নিয়ম আৰু প্ৰক্ৰিয়াত নিৰ্দ্ধাৰিত সিদ্ধান্ত গ্ৰহণৰ প্ৰয়োজনীয়তা আৰু কাৰ্য পদ্ধতিৰ দ্বাৰা পৰিচালিত হোৱা উচিত।

7. জি4 মন্ত্ৰীসকল নিশ্চিত হয় যে এটি আন্তঃচৰকাৰী চেটিংছত প্ৰকৃত বিষয়বস্তু আধাৰিত বন্দোৱস্ত অবিহনে কেৱল সাধাৰণ বিবৃত্তি ভিত্তিত বিতৰ্ক এৰাই চলাৰ সময় আহি পৰিছে। ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহে এক অভিভূতকাৰী সংখ্যাগৰিষ্ঠতাই সুৰক্ষা পৰিষদৰ ব্যাপক সংস্কাৰক দৃঢ়তাৰে সমৰ্থন কৰে, আৰু ৰাষ্ট্ৰসংঘৰ 75চম বাৰ্ষিকী বৰ্ষত আই জি এন-ৰ পৰা বাস্তৱ ফলাফল দেখুৱাৰ প্ৰত্যাশা কৰে। বৰ্তমান অধিৱেশনত আই জি এনে আগৰ অধিৱেশনৰ প্ৰত্যক্ষ ধাৰাবাহিকতা হিচাপে অনতি পলমে আৰম্ভ কৰা উচিত।

8. জি4 মন্ত্ৰীসকলে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু সুৰক্ষাৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দায়িত্ব গ্ৰহণৰ সক্ষমতা আৰু সদিচ্ছাৰ কাৰণে এক সংস্কাৰকৃত সুৰক্ষা পৰিষদত নতুন স্থায়ী সদস্যসকলৰ আকাংক্ষাৰ ৰূপত পৰস্পৰে পৰস্পৰৰ প্ৰাৰ্থীত্বৰ কাৰণে তেওঁলোকৰ সমৰ্থনৰ কথা পুনৰাই ব্যক্ত কৰে। পৰিষদক অধিক বৈধ, কাৰ্যকৰী আৰু প্ৰতিনিধি কৰি তুলিবৰ কাৰণে প্ৰগতিশীল দেশসমূহ আৰু ৰাষ্ট্ৰসংঘৰ অৱদানকাৰীসকলৰ উন্নত ভূমিকাৰ স্পষ্ট প্ৰয়োজনীয়তা আছে। সুৰক্ষা পৰিষদত ইয়াৰ নিম্ন প্ৰতিনিধিত্বৰ সন্দৰ্ভত এই মহাদেশৰ বিৰুদ্ধে ঐতিহাসিক অন্যায়ৰ সংশোধন কৰাৰ কাৰণে আফ্ৰিকাই নিজকে এক সংশোধিত আৰু প্ৰসাৰিত সুৰক্ষা পৰিষদৰ সদস্যপদৰ স্থায়ী আৰু অস্থায়ী দুয়োটা বিভাগতে প্ৰতিনিধিত্ব কৰাৰ দৰকাৰ। আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু বৈশ্বিক প্ৰশাসনৰ প্ৰতি আস্থা ঘূৰাই অনাৰ ক্ষেত্ৰত সহায় কৰাৰ কাৰণে -এই সংকটৰ সময়ত আগতকৈ বহুত বেছি জৰুৰী হৈছে ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদৰ এক প্ৰতিনিধিৰ।

9. জি4-ৰে অন্যান্য সংস্কাৰ মনোবৃত্তিৰ দেশ আৰু গ্ৰুপসমূহৰ সৈতে জড়িত থাকিব আৰু পলম নকৰাকৈ বস্তুভিত্তিক আলোচনা আৰম্ভ কৰাৰ চেষ্টা কৰিব। মন্ত্ৰীসকলে সাধাৰণ অধিবেশনৰ 75তম চেচন উপলক্ষে সুৰক্ষা পৰিষদৰ প্ৰাথমিক সংস্কাৰৰ কাৰণে সাধাৰণ অধিৱেশনৰ অধ্যক্ষৰ প্ৰচেষ্টাক সমৰ্থন কৰাৰ কাৰণে তেওঁলোকৰ প্ৰতিনিধিসকলক নিৰ্দ্দেশ প্ৰদান কৰাৰ ক্ষেত্ৰত দৃঢ় ফলাফল অনুসন্ধানৰ প্ৰতি দৃঢ় প্ৰত্যয় ব্যক্ত কৰে। লগতে আমি এক শক্তিশালী, বৈধ ৰাষ্ট্ৰসংঘ নিৰ্মাণৰ দিশত কাম কৰি যাব লাগিব।

**নতুন দিল্লী**
**ছেপ্তেম্বৰ 23, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.